# NATIONAL SERVICE SCHEME
## RANGAPARA COLLEGE UNIT
P.O.: RANGAPARA DISTRICT: SONITPUR
PIN-784505 (ASSAM)

ESTD.1979

Aswini Kumar Deka, MA
Programme Officer

Ref..................

RANGAPARA COLLEGE Estd.-1979 Dt............ SONITPUR, ASSAM

Date:.....................

**Name of the activity: Institutional Plantation Drive**

**Date: 13/04/2022**

**Location: Rangapara College**

**No. of students participated: 21**

**Brief Report:**

The NSS Volunteers of Rangapara college in association with Balipara Foundation organized a massive institutional plantation programme on 13/04/2022. Ronendra Mohon Deka, vice principal of Rangapara College inaugurated the programme where more than 21 NSS Volunteers, NSS PO, faculty members of Rangapara college actively participated. Balipara Foundation donated 400 different kind of saplings.

## Photographs




(Dr. Ranjan Kalita)
Principal
Rangapara College

Programme Officer
Rangapara College NSS Unit







(Dr. Ranjan Kalita)
Principal
Rangapara College

Programme Officer
Rangapara College NSS Unit.




**Figure: Photographs from institutional plantation drive**

অদ্ভুত বিয়ালি এক শোকাকুল পাৰিৱেশৰ মাজেৰে স্থানীয় মহাজনত শেষ জানাজা সম্পন্ন হয়। ইপিনে পৰিয়ালৰ লোকে দিয়া এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে আৰম্ভ কৰিছে তদন্ত।

মোৱাৰাৰৰ পদুমনি জাতীয় বিদ্যালয়ত অনুষ্ঠিত সভাত নৱনিৰ্বাচিত সভাপতি মোজাম্মিল

# নৱবৰ্ষ তথা ৰঙালী বিহু উপলক্ষে ৰঙাপৰা মহাবিদ্যালয়ৰ উদ্যোগত গছপুলি ৰোপণ

## অঞ্চলটোত বিভিন্ন দল-সংগঠনৰ উলহ-মালহেৰে অসমীয়া নৱবৰ্ষ, ৰঙালী বিহুক আদৰণি

দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ১৬ এপ্ৰিল ঃ অসমৰ জাতীয় জীৱনৰ মূল উৎসৱ ৰঙালী বিহু সমগ্ৰ ৰাজ্যখনত উদ্‌যাপন কৰাৰ সমান্তৰালভাৱে বৃহত্তৰ ৰঙাপৰা অঞ্চলত এই বেলি ব্যাপক উছাহ-উদ্দীপনাৰে ৰঙালী বিহু উৎসৱ উদ্‌যাপন কৰা হয়। শোণিতপুৰ জিলাৰ অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান ৰঙাপৰা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত আৰু গ্ৰীন ক্লাবৰ সহযোগত ৰঙাপৰা মহাবিদ্যালয় চৌহদত বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণ কৰা হয়। বালিপৰা ফাউণ্ডেচনে আগবঢ়োৱা ৪০০টি বিভিন্ন প্ৰজাতিৰ গছপুলি নৱবৰ্ষৰ প্ৰাক্‌মুহূৰ্তত মহাবিদ্যালয় চৌহদত ৰোপণ কৰা হয়। কালি পুৱা ১১ বজাত ৰঙাপৰা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ ৰণেন্দ্ৰ মোহন ডেকা, আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক অতুল শৰ্মা, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিষয়া ড০ অশ্বিনী কুমাৰ ডেকা আৰু পৰেশ বৰা, বালিপৰা ফাউণ্ডেচনৰ হৈ সংগীত ডেকা আৰু চন্দ্ৰ বাহাদুৰ নৰ্জীৰ লগতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীয়ে বৃক্ষ ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ব্যতিক্ৰমী ৰূপত গছপুলি ৰোপণৰ জৰিয়তে ৰঙাপৰা মহাবিদ্যালয়ে পালন কৰা অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহুৰ কাৰ্যসূচীৰ আদৰণি জনাইছে সকলোৱে। আনহাতে অসমীয়া নতুন বছৰৰ পহিলা ব'হাগৰ দিনাটোত ৰঙাপৰা আঞ্চলিক ছাত্ৰ সন্থাই অঞ্চলটোৰ প্ৰাক্তন ছাত্ৰনেতা, সমাজকৰ্মী, বয়োজ্যেষ্ঠ লোকসকলৰ ঘৰত উপস্থিত হৈ ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জনোৱাৰ লগতে তেওঁলোকৰ পৰা আশীৰ্বাদ গ্ৰহণ কৰে। ইপিনে ঐতিহাসিক ৰঙাপৰা ৰঙালী বে'লৱে বিহু সন্মিলনে পুৱা বে'লৱে যোজ বাহকৰিত পতাকা উত্তোলন কৰাৰ লগতে লক কৰণী বে'লৱে ভৱনত অৱসৰপ্ৰাপ্ত বে'লৱে কৰ্মচাৰীক ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰাৰ লগতে অঞ্চলটোৰ বিশিষ্ট শিক্ষাবিদ, সাংবাদিক, সমাজ কৰ্মীসকলক বিহুবানেৰে আদৰণি জনায়। উক্ত অনুষ্ঠানটোৰ আঁত ধৰে ৰঙাপৰা বে'লৱে ৰঙালী বিহু সন্মিলনৰ সম্পাদক অসীম ডেকাই। অনুষ্ঠানত কণ কণ শিশু শিল্পীসকলৰ দ্বাৰা বিহুনৃত্য প্ৰদৰ্শন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। তদুপৰি ৰঙাপৰা বেজবৰুৱা সংঘ, সমন্বয় সমিতি, লাচিত সমন্বয় সমিতি, নামঘৰ ৰঙালী বিহু সন্মিলন, নামনি গাঁও ৰঙালী বিহু সন্মিলন আদি অনুষ্ঠানে পহিলা ব'হাগৰ দিনাটোত পতাকা উত্তোলন কৰাৰ লগতে বিহুবান আদান-প্ৰদানেৰে পুনৰ্মিলন সেই স্বৰ্ণীয়াতাৰ ধাৰা বজাই ৰখা পৰিলক্ষিত হয়। মুঠতে পহিলা ব'হাগৰ দিনটোত ৰঙাপৰা অঞ্চলত ৰঙালী বিহুৱে সকলোৰে জীৱনত বৰ্ণিল আৰু সুখ-শান্তিৰে উপচি পৰক তাৰে কামনা কৰি নামঘৰ, মন্দিৰ, উপাসনাস্থলীত অঞ্চলবাসীয়ে চাকি-বন্তি আগবঢ়ায়।

দেউৰী বিহুৰ

**Figure: Paper-cut of the plantation programme**

(Dr. Ranjan Kalita)
Principal
Rangapara College

RANJAN KALITA
Digitally signed by RANJAN KALITA
Date: 2022.09.21 13:14:49 -07'00'

Programme Officer
Rangapara College NSS Unit